# Telephone Conversation between PM and President of the Maldives

April 20, 2020

---

## প্ৰধানমন্ত্ৰী আৰু মালদ্বীপৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

এপ্ৰিল 20, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি মালদ্বীপৰ ৰাষ্ট্ৰপতি মহামহিম শ্ৰী ইব্ৰাহিম মহম্মদ ছলিহৰ সৈতে টেলিফোন যোগে বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই নিজ দেশৰ ক'ভিড–19 সংক্ৰমণৰ বৰ্তমান স্থিতিৰ সন্দৰ্ভত পৰ্স্পৰক অৱগত কৰে।

ছাৰ্ক দেশসমূহৰ মাজত স্থাপন হোৱা সন্মিলিত সমন্বয় সক্ৰিয়ভাৱে ৰূপায়ন হোৱাক লৈ দুয়োগৰাকী নেতাই সন্তোষ প্ৰকাশ কৰে।

মালদ্বীপত ক'ভিড–19ৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ কাৰণে ভাৰতে উপহাৰ হিচাপে যোগান ধৰা ঔষধ আৰু ভাৰতীয় চিকিত্সা দলক মোতায়নে গুৰুত্বপূৰ্ণ বৰঙণি যোগোৱাৰ বাবে প্ৰধানমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে।

মহামাৰীৰ কাৰণে মালদ্বীপৰ নিচিনা পৰ্যটন নিৰ্ভৰশীল দেশে অৰ্থনীতিৰ ক্ষেত্ৰত বিশেষ প্ৰত্যাহ্বান সন্মুখীন হৈছে, তাৰ গুৰুত্ব উপলব্ধি কৰি প্ৰধানমন্ত্ৰীয়ে স্বাস্থ্য আৰু অৰ্থনীতিৰ ওপৰত ক'ভিড–19ৰ প্ৰভাৱ হ্ৰাস কৰাৰ কাৰণে ভাৰতে  যথাযথ সাহাৰ্য আগবঢ়াব বুলি মালদ্বীপৰ ৰাষ্ট্ৰপতিক আশ্বাস দিয়ে।

দুয়োগৰাকী নেতাই বৰ্তমানৰ স্বাস্থ্য সংকটৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বিষয়সমূহৰ লগতে দ্বিপাক্ষিক সহযোগিতাৰ অন্যান্য দিশসমূহত উভয় দেশৰ বিষয়াসকলে পৰস্পৰে পৰস্পৰৰ সৈতে যোগাযোগ স্থাপন কৰি যাব বুলি সহমত পোষণ কৰ।

**নতুন দিল্লী**
**এপ্ৰিল 20, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.